অসম বিধান সভা
উত্তৰদানৰ তাৰিখ- ২২/০৭/২০২৬
* তৰাযুক্ত প্ৰশ্ননং- ১৬১
*বিষয়* ঃ সীমান্ত উন্নয়ন আঁচনি আৰু ভূমি বেদখল আদি।
বিধায়ক - শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ৫টা বিত্তীয় বৰ্ষত অসমত সীমান্ত এলেকা উন্নয়ন কাৰ্যসূচী (BADP) ৰ অধীনত মুঠ কিমান পুঁজি আৱণ্টন দিয়া হৈছে আৰু তাৰ ভিতৰত কিমান পুঁজি ব্যয় কৰা হৈছে তাৰ জিলা অনুযায়ী আৰু প্ৰকল্পভিত্তিক তালিকা প্ৰদান কৰিব।

(খ) আমাৰ সীমান্তৱৰ্তী ৰাজ্যসমূহৰ দ্বাৰা অসমৰ কিমান হেক্টৰ ভূমি অবৈধ বেদখলত আছে ৰাজ্য অনুযায়ী জনাব।

(গ) আন্তঃৰাজ্যিক সীমান্তসমূহত বৰ্তমান অসম আৰক্ষীৰ কিমানটা সীমান্ত আউটপোষ্ট (BOP) সক্ৰিয় হৈ আছে আৰু ইয়াৰ ভিতৰত কিমানটা আউটপোষ্টত স্থায়ী গৃহ, বিদ্যুৎ বা খোৱাপানীৰ সুব্যৱস্থা নাই ?

(ঘ) চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে চলি থকা শেহতীয়া সীমান্ত আলোচনা বা Give and take নীতিৰ বৰ্তমানৰ স্থিতি কি আৰু এই বিবাদপূৰ্ণ সীমান্ত অঞ্চলত বসবাস কৰা অসমৰ পৰিয়ালসমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে ?

(ঙ) সীমান্তৱৰ্তী অঞ্চলৰ লোকসকলৰ বাবে চৰকাৰে আন্তঃৰাষ্ট্ৰীয় বা আন্তঃৰাজ্যিক সীমান্তত "আদৰ্শ সীমান্ত গাঁও" গঢ়ি তোলাৰ কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, তেন্তে বৰ্তমানলৈকে কিমানখন গাঁও বাছনি কৰা হৈছে, প্ৰতিখন গাঁৱৰ বাবে কিমান বাজেট ধাৰ্য্য কৰা হৈছে আৰু তাত জীৱিকা সুনিশ্চিত কৰিবলৈ কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

<u>উত্তৰ</u>

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

(ক) বিগত ২০২০-২১ বিত্তীয় বৰ্ষ লৈকে আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকা উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে BADP-ৰ অধীনত পুঁজিৰ আবন্টন দিছিল ।

বিগত ৫টা বিত্তীয় বৰ্ষত অৰ্থাৎ ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা কেন্দ্ৰীয় চৰকাৰে BADP ৰ অধীনৰ কাৰ্যসূচী বন্ধ ৰাখিছে যদিওঁ কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ পৰা Vibrant Village Programme-II নামেৰে এটি নতুন আঁচনিৰ শুভাৰম্ভ কৰিছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী ৯ খন জিলা ক্ৰমে কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ, ওদালগুৰি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি ৰ মুঠ ১৪০ খন গাওঁ চিনাক্ত কৰি এই আঁচনিত সামৰি লৈছে । এই আঁচনিৰ মূল উদ্দেশ্য হৈছে এই গাঁও সমূহক সৰ্বাংগীন ভাবে বিকশিত কৰি প্ৰাণৱন্ত কৰি গঢ়ি তোলা । এই গাঁও সমূহৰ বাবে আঁচনি বাচনিৰ কাম ইতিমধ্যে জিলা সমূহত আৰম্ভ হৈছে ।

(খ) সীমান্তৰ ৰাজ্যসমূহে অসমৰ ভূমি বেদখল কৰি থকাৰ পৰিমাণৰ তথ্য তলত উল্লেখ কৰা হ'ল-:

| ক্ৰমিক নং | অসমৰ ভূমি বেদখল কৰা চুবুৰীয়া ৰাজ্যৰ নাম | বেদখল কৰা ভূমিৰ পৰিমাণ (হেক্টৰত) |
|---|---|---|
| ১ | অৰুণাচল প্ৰদেশ | ১৬,১৪৪.০১১৭ |
| ২ | নাগালেণ্ড | ৫৯,৪৯০.২১ |
| ৩ | মেঘালয় | ৩,৪৪১.৮৬০১ |
| ৪ | মিজোৰাম | ৩,৬৭৫.৭৮ |

(গ) অসম আৰক্ষীৰ সীমান্ত সংস্থাৰ মুখ্য কাৰ্যালয়ৰ পৰা পোৱা তথ্য মতে আন্তঃৰাজ্যিক সীমান্ত সমূহত বৰ্তমান অসম আৰক্ষীৰ মুঠ ১০৩ টা BOP ৰ ভিতৰত বৰ্তমান ৯৬ টা BOP সক্ৰিয় হৈ আছে । এই সীমান্ত আউটপোষ্ট সমূহৰ স্থায়ী গৃহ, বিদ্যুৎ বা খোৱাপানীৰ সুব্যৱস্থা উপলব্ধ সংক্ৰান্তীয় সবিশেষ তথ্য পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হল ।

উল্লেখ্য যে সীমান্ত সুৰক্ষা আৰু উন্নয়ণ বিভাগে ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা BOP সমূহৰ আন্তঃ গাঠনি উন্নয়ণ আৰু ব্যৱস্থাপনাৰ (Infrastructure Development and Maintenance) বাবে পৰ্য্যায়ক্ৰমে প্ৰতিবছৰে ৫ লাখকৈ টকা Grants-In-Aid দিয়াৰ ব্যৱস্থা কৰা হৈছে ।

(ঘ) চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে চলি থকা শেহতীয়া সীমান্তৰ স্থিতি তলত উল্লেখ কৰা হ'ল-:

<u>অসম-অৰুণাচল প্ৰদেশৰ সীমা সমস্যা :</u>

অসম অৰুণাচল প্ৰদেশৰ মুঠ ৮০৪.১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমাত অসমৰ ৮ খন জিলাৰ লগত অৰুণাচল প্ৰদেশৰ ১২ খন জিলা অৱস্থিত। সীমা -বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্যৰ চৰকাৰে ১২ খনকৈ আঞ্চলিক কমিটি (Regional Committee)গঠন কৰে। দুয়োখন ৰাজ্যৰে পাৰস্পৰিক আঞ্চলিক কমিটিবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ লগত কৰা আলোচনাৰ লগতে কমিটিবোৰৰ পাৰস্পৰিক মত বিনিময়ৰ দ্বাৰা আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা লোৱা হৈছে । সেইমৰ্মে অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩ খন গাওঁৰ ওপৰত যোৱা ইং ২০/০৪/২০২৩ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি (Memorandum of Understanding) কৰা হয়। তাৰোপৰি উল্লেখিত ১২৩ খন গাঁওৰ উপৰিও আগতে জৰীপ নোহোৱা এলেকা সমূহৰ যুটীয়া সীমা জৰীপ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে ।

সেই মৰ্মে সীমা বিবাদ নিষ্পত্তি কৰিবলৈ খণ্ড খণ্ড কৈ আন্তঃ ৰাজ্যিক সীমাৰ মুঠ ২৯১.০৮ কিঃমিঃ অংশ দুয়োখন ৰাজ্যৰ সহমতত সীমা নিশ্চিত কৰা হৈছে | ইয়াৰে মুঠ ১৪৯.৬১ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমা দুয়ো ৰাজ্যৰ প্ৰতিনিধিৰ উপস্থিতিত যোৱা ইং ০৯/০২/২০২৬ তাৰিখৰ পৰা ১০/০৬/২০২৬ তাৰিখলৈ যুটীয়া ভাবে ভাৰতীয় জৰীপ বিভাগ (SOI) ৰ দ্বাৰা সীমাৰ জৰীপৰ কাম কৰা হৈছে । বাকী থকা অংশৰ জৰীপৰ কাৰ্য বৰ্ষা ঋতুৰ পিছত কৰা হব।

অসম-মেঘালয়ৰ সীমা সমস্যা :

অসমৰ সৈতে চুবুৰীয়া ৰাজ্যৰ সীমা বিবাদৰ ক্ষেত্ৰত অসম চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ উপদেশ মৰ্মে মেঘালয় চৰকাৰৰ লগত দ্বিপাক্ষিক বুজাবুজি- চুক্তিৰ জৰিয়তে সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা হাতত লৈছে ।

অসম-মেঘালয়ৰ মাজত ১২ টা এলেকাৰ সীমা বিবাদ আছে। সেই এলেকা কেইটা হ'ল-১) তাৰাবাৰী, ২) গিজাং, ৩) হাহিম, ৪) লাম্পি, ৫) বৰদুৱাৰ, ৬) বকলাপাৰা, ৭) নংৱা-মৌতামুৰ (গড়ভঙা), ৮) খানাপাৰা-পিলিংকাটা, ৯) দেশডুমৰীয়া, ১০) ব্লক-১ আৰু ব্লক-২, ১১) পিচিয়াৰ-খান্দুলী আৰু ১২) ৰাতাচেৰা । এই ১২ টা এলেকাৰ প্ৰথম পৰ্য্যায়ত ৬ টা এলেকা ক্ৰমে (তাৰাবাৰী, হাহিম, গিজাং, বকলাপাৰা, খানাপাৰা-পিলিংকাটা, ৰাতাচেৰাৰ বাবে দুয়োখন ৰাজ্যই ৩ খনকৈ আঞ্চলিক কমিটি (Regional Committee) গঠন কৰি দুয়োখন ৰাজ্যৰে পাৰস্পৰিক আঞ্চলিক কমিটিবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি কমিটিবোৰৰ পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰাৰ পিছত দুয়োখন চৰকাৰৰ যুটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা লৈছে। সেইমৰ্মে মেঘালয়ে দাবী কৰা ১২ টা অঞ্চলৰ ভিতৰত প্ৰথম পৰ্য্যায়ত উপৰোক্ত ৬ টা অঞ্চলৰ বাবে ইং ২৯/০৩/২০২২ তাৰিখে ভাৰত চৰকাৰৰ মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী মহোদয়ৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি (Memorandum of Understanding) দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে স্বাক্ষৰ কৰে ।

পৰৱৰ্তী সময়ত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ মৰ্মে দুয়ো ৰাজ্যৰ সহমতত ভাৰতীয় জৰীপ বিভাগে (Survey of India) দুয়ো ৰাজ্যৰ প্ৰতিনিধিৰ উপস্থিতিত হাহিম এলেকাৰ যুটীয়া জৰীপ আৰু সীমাৰ খুটা পোতাৰ কাম সম্পূৰ্ণ কৰা হৈছে । তেনেকৈ গিজাং এলেকাৰ যুটীয়া জৰীপ আৰু সীমাৰ খুটা পোতাৰ কাম বৰ্তমান শেষ পৰ্যায়ত আছে । তাৰাবাৰী এলেকাৰ বাবে মেঘালয় চৰকাৰৰ সমন্বয় বিষয়া (Nodal Officer) ই হাতত লোৱা যাবতীয় কাৰ্য্যৰ প্ৰতিবেদন পৰীক্ষণ কৰাৰ পাছত তাৰাবাৰী এলেকাৰ সীমা নিৰ্ধাৰণ ব্যৱস্থা হাতত লোৱা হব । বকলাপাৰা এলেকাৰ চৰজমিন স্থিতি নিৰূপণৰ বাবে ৰাভা হাচং স্বায়ত্ব পৰিষদক দায়িত্ব দিয়া হৈছে , তেওঁলোকৰ প্ৰতিবেদনৰ বাবে অপেক্ষা কৰা হৈছে । ৰাতাচেৰা এলেকাৰ বাবে সীমা নিৰ্ধাৰণ কৰি মেঘালয় চৰকাৰৰ সহমতৰ বাবে প্ৰস্তাৱ পঠিওৱা হৈছে ।মেঘালয় চৰকাৰৰ উত্তৰৰ বাবে অপেক্ষাৰত । খানাপাৰা-পিলিংকাটা এলেকাৰ সহমতৰ সীমা নিৰ্ধাৰণৰ বাবে দুয়োৰাজ্যৰ প্ৰতিনিধিৰ উপস্থিতিত SOI ৰ দ্বাৰা যুটীয়া জৰীপ কৰি থকা হৈছে ।

বাকী থকা ৬ টা বিবাদমান অঞ্চল লামপী, বৰদুৱাৰ, নংৱা-মৌতামুৰ (গড়ভঙা), দেশডুমৰীয়া, ব্লক-১ আৰু ব্লক-২ আৰু পিচিয়াৰ-খান্দুলীৰ বাবেও আঞ্চলিক কমিটি (Regional Committee) দুয়োখন ৰাজ্যই গঠন কৰিছে । এই আঞ্চলিক কমিটি সমূহে পাৰস্পৰিক ভাৱে আলোচনা কৰি আৰু স্থান সমূহ যুটীয়া ভাৱে পৰিদৰ্শন কৰি স্থানীয় লোকৰ লগত আলোচনা মৰ্মে সীমা সমস্যা সমাধান কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

অসম-মিজোৰামৰ সীমা সমস্যা :

অসম আৰু মিজোৰাম ৰাজ্যৰ ক্ষেত্ৰত মিজোৰামে দাবী কৰা ভূমি এলেকাৰ সীমা সমস্যা নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্যৰ মাজত ভিন্ন পৰ্য্যায়ত দ্বিপাক্ষিক আলোচনা চলি আছে ।

অসম আৰু নাগালেণ্ডৰ সীমা সমস্যা :

অসম আৰু নাগালেণ্ড ৰাজ্যৰ ক্ষেত্ৰত সীমা সমস্যা নিষ্পত্তি কৰিবলৈ মহামান্য উচ্চতম ন্যায়ালয়ত অসম চৰকাৰে নথি ভুক্ত কৰা গোচৰ বৰ্তমান O.S. No. 02 of 1988 বিচাৰাধীন হৈ আছে । তাৰোপৰি দুয়োখন ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰীদ্বয়ৰ মাজত সৌহাৰ্দ্যমূলক আলোচনা চলি আছে ।

অসমৰ চুবুৰীয়া ৰাজ্য সমূহৰ লগত পাৰস্পৰিক আলোচনাৰ মাধ্যমেৰে লগতে সীমান্ত অঞ্চলত বসবাস কৰি থকা লোক সকলৰ মতৰ ভিত্তিত সীমা সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সীমা সমস্যা সম্পূৰ্ণৰূপে সমাধান হলে সীমান্ত অঞ্চলত বসবাস কৰা লোক সকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিব পৰা যাব । চুবুৰীয়া ৰাজ্য সমূহৰ পৰা ভূমিৰ আগ্ৰাসন ৰোধ কৰিবলৈ সীমান্তৱৰ্তী অঞ্চলসমূহত সীমান্ত আৰক্ষী চকী (BOP) ৰ দ্বাৰা নিৰীক্ষণ কৰি ভূমিৰ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে ।

(ঙ) বৰ্তমানলৈকে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগে আন্তঃৰাজ্যিক সীমান্ত অঞ্চলত "আদৰ্শ সীমান্ত গাঁও" গঢ়ি তোলাৰ বাবে কোনো বিশেষ আঁচনি গ্ৰহণ কৰা নাই যদিওঁ কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ পৰা অসমৰ সীমান্তৱৰ্তী আন্তঃৰাষ্ট্ৰীয় অঞ্চলসমূহ উন্নয়নৰ বাবে Vibrant Village Programme - II নামেৰে নতুন আঁচনি এখন শুভাৰম্ভ কৰিছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী ৯ খন জিলা ক্ৰমে কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ, ওদালগুৰি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি ৰ মুঠ ১৪০ খন গাওঁ চিনাক্ত কৰি এই আঁচনিত সামৰি লৈছে । এই আঁচনিৰ অধীনত উন্নয়ন কৰিব বিচৰা ৪ টা বিষয় ভিত্তিক ক্ষেত্ৰ হ'ল :-১. সৰ্বকালীন পথ সংযোগ (All Weather Road Connectivity), ২. দূৰসংযোগ সংযোগ (Telecom Connectivity), ৩. দূৰদৰ্শন সংযোগ (Television Connectivity ) আৰু ৪. বিদ্যুৎ গ্ৰীদ সংযোগ (On-Grid Electrification) । উক্ত আঁচনিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ আন্তঃগাঁথনিৰ লগতে সামাজিক উন্নয়নৰ লক্ষ্য ৰাখি জিলা সমূহে আঁচনি প্ৰস্তুত কৰি আছে ।

বিঃদ্ৰঃ - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

************

**"Annnexure - A"**

## List of operational Inter-State BOPs of Assam showing status of buildings, electrification & drinking water supply.

| Sl. No. | Name of district | Name of BOP | Whether accomodation is permanent or temporary? | Whether electrification is available? | Whether potable drinking water is available? |
|---|---|---|---|---|---|
| 1 | GOLAGHAT | Panjan -2 | Permanent | Available | Available (Running Water) |
| 2 | | Rangajan | Permanent | Available | Available (Running Water) |
| 3 | | Chungajan MV | Permanent | Available | Available (Running Water) |
| 4 | | Chungajan T/Ali | Permanent | Available | Available (Running Water) |
| 5 | | Dagaon-Amguri | Permanent | Available | Available (Running Water) |
| 6 | | Napani-I | Permanent | Available | Available (Running Water) |
| 7 | | Chainpur-I | Permanent | Available | Available (Running Water) |
| 8 | | Rajapukhuri **(FP)** | Permanent | Available | Available (Running Water) |
| 9 | | Ranipukhuri **(FP)** | Permanent | Available | Available (Running Water) |
| 10 | JORHAT | Kheromia | Permanent | Available | Available |
| 11 | | Bandarchalia | Permanent | Available | Available |
| 12 | | Gaharichowa | Permanent | Available | Available |
| 13 | | Gorajan | Permanent | Available | Available |
| 14 | | Bekajan | Permanent | Available | Available |
| 15 | | Panikheti | Permanent | Available | Available |
| 16 | | New Panikheti | Permanent | Available | Available |
| 17 | | Naginijan | Permanent | Available | Available |
| 18 | | New Chunthia | Permanent | Available | Available |
| 19 | | Mogroi No 2 | Permanent | Available | Available |
| 20 | | Gabhoru | Permanent | Available | Available |
| 21 | | Dessoi Valley | Permanent | Available | Available |
| 22 | | New Sonowal | Permanent | Available | Available |
| 23 | | Chutiakari | Permanent | Available | Available |
| 24 | | Rajabari | Permanent | Available | Available |
| 25 | | Rankhang Advance Camp | Permanent | Available | Available |
| 26 | SIVASAGAR | Singiribill | Permanent | Available | Available (Running Water) |
| 27 | | Laxmijan | Permanent | Available | Available (Running Water) |
| 28 | | Deopani | Permanent | Available | Available (Running Water) |
| 29 | | Mugapara | Permanent | Available | Available (Running Water) |
| 30 | | Sonapur | Permanent | Available | Available (Running Water) |
| 31 | | Borhula | Permanent | Available | Available (Running Water) |
| 32 | | Charaihajia | Permanent | Available | Available (Running Water) |
| 33 | CHARAI DEO | Charaideo | Permanent | Available | Available (Running Water) |
| 34 | | Lechai | Permanent | Solar | Available |
| 35 | | Charaipung | Permanent | Available | Available (Running Water) |
| 36 | KARBI-ANGLONG | Daijungfa | Permanent | Available | Available (Running Water) |
| 37 | | Kashiram Bosti | Permanent | Available | Available (Running Water) |
| 38 | | Monglamukh | Permanent | Available | Available (Running Water) |
| 39 | | Rangapahar | Permanent | Available | Available (Running Water) |
| 40 | | Sankartilla | Permanent | Available | Available (Running Water) |
| 41 | | Laharijan | Permanent | Available | Available (Running Water) |
| 42 | | Missibailum | Permanent | Available | Available (Running Water) |
| 43 | | Tengnang | Permanent | Available | Available (Running Water) |
| 44 | DIBRUGARH | Hukanjuri | Permanent | Available | Available (Running Water) |
| 45 | | Deomali | Permanent | Genetrator | Available |
| 46 | TINSUKIA | Jagun | Permanent | Available | Available (Running Water) |
| 47 | SADIA | Balijan | Permanent | Available | Available (Running Water) |
| 48 | | Amarpur | Temporary | Solar | Available |
| 49 | LAKHIMPUR | Kimin | Permanent | Available | Available (Running Water) |
| 50 | | Mainajuli | Permanent | Available | Available (Running Water) |

| | | | | | |
|---|---|---|---|---|---|
| 51 | DHEMAJI | Panbari | Permanent | Available | Available (Running Water) |
| 52 | | Galipathar | Permanent | Available | Available (Running Water) |
| 53 | | Rajakhana | Permanent | Available | Available (Running Water) |
| 54 | | Simen Chapori | Permanent | Available | Available (Running Water) |
| 55 | | Majulipur | Permanent | Available | Available (Running Water) |
| 56 | | Likabali | Permanent | Available | Available (Running Water) |
| 57 | BISWANATH | Radhashoo | Temporary | Generator & Solar | Available |
| 58 | | Phulbari | Temporary | Available | Available |
| 59 | | Naharjan | Permanent | Generator & Solar | Available |
| 60 | | Balidunga | Temporary | Available | Available |
| 61 | SONITPUR | Bhalukpung | Permanent | Available | Available |
| 62 | WEST KARBI ANGLONG | Mokoiram | Permanent | Solar light/ DG generator | Available (Running Water) |
| 63 | | Khanduli | Permanent | Solar light/ DG generator | Available (Running Water) |
| 64 | | Saboda | Permanent | Solar light/ DG generator | Available (Running Water) |
| 65 | | Saitsema/ Arting | Permanent | Solar light/ DG generator | Available (Running Water) |
| 66 | | Umru-II | Permanent | Solar light/ DG generator | Available (Running Water) |
| 67 | | Khatkhasla (Umkherni) | Permanent | Solar light/ DG generator | Available (Running Water) |
| 68 | KAMRUP (R) | Upper Lumpi | Permanent | Available | Available (Running Water) |
| 69 | | Lower Lumpi | Permanent | Available | Available (Running Water) |
| 70 | | Ukiam | Permanent | Available | Available (Running Water) |
| 71 | KAMRUP (M) | Patorkuchi | Temporary | Available | Available |
| 72 | CACHAR | Dholakhal | Permanent | Generator | Available (Running Water) |
| 73 | | Rengti Hills Border Post | Temporary | Generator | Available |
| 74 | | Lailapur Border Post | Temporary (Proposal Sent) | Available | Available (Running Water) |
| 75 | | Natacherra Border Post | Permanent | Available | Available (Running Water) |
| 76 | | Gombai Basti Border Post | Temporary (Proposal Sent) | Generator | Available |
| 77 | | Dholaikhal Border Post | Permanent (Under Construction) | Available | Available (Running Water) |
| 78 | | Kulicherra Border Post | Permanent | Available | Available (Running Water) |
| 79 | | Paglacherra Border Post | Permanent | Generator | Available (Running Water) |
| 80 | | Bandarkhal Border Post | Temporary (Proposal Sent) | Generator | Available (Running Water) |
| 81 | | Chekar Cham Border Post | Permanent | Available | Available (Running Water) |
| 82 | HAILAKANDI | Dholcherra | Permanent | Available | Available |
| 83 | | Gendacherra | Permanent | Generator & Solar | Available |
| 84 | | Gutguti | Permanent | Generator & Solar | Available |
| 85 | | Bhaicherra | Permanent | Generator & Solar | Available |
| 86 | | Gollacherra | Permanent | Available | Available |
| 87 | | Baruncherra | Permanent | Available | Available |
| 88 | | Dholaikhal Temporary | Temporary | Generator & Solar | Available |
| 89 | | Dharasing Tilla Temporary | Temporary | Available | Available |
| 90 | | Birshima Temporary | Temporary | Generator & Solar | Available |

| | | | | | |
|---|---|---|---|---|---|
| 91 | | Sahabmara Temporary | Temporary | Generator & Solar | Available |
| 92 | SRIBHUMI | Rongpur | Permanent | Available | Available |
| 93 | | Balipipla | Permanent | Available | Available (Running Water) |
| 94 | | Chotobubirbond Camp | Temporary | Available | Available (Running Water) |
| 95 | | Medlicherra Upper | Temporary | Available | Available (Running Water) |
| 96 | | Medlichera Lower | Temporary | Available | Available (Running Water) |